# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-12-2024
**Time :** 12-05 Hrs

***Assamese Midday Bulletin***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পলাশবাৰীৰ সৈতে শুৱালকুছিৰ সংযোগ স্থাপনৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া চাৰিলেনযুক্ত দলঙৰ আজি ভূমিপূজন কৰিব। শুৱালকুছিৰ বাথান পামত হ'বলগীয়া এই অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে ইতিমধ্যে তেওঁ শুৱালকুছিত উপস্থিত হৈছে। শুৱালকুছিত উপস্থিত হোৱাৰ পাছত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ শুৱালকুছি মণ্ডলৰ নৱনিৰ্মিত কাৰ্যালয়টো মুকলি কৰে।

উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী শৰ্মাই ভূমিপূজন কৰিবলগীয়া পলাশবাৰী-শুৱালকুছিৰ সংযোগী ১২ দশমিক ২-১ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনৰ মুঠ ব্যয় ৩ হাজাৰ ১৯৭ কোটি ২০ লাখ টকা ধাৰ্য কৰা হৈছে। প্ৰকল্পটোৰ উল্লেখনীয় দিশসমূহ হৈছে- লুইতৰ উত্তৰপাৰৰ শুৱালকুছি আৰু দক্ষিণ পাৰৰ পলাশবাৰীক সংযোগ কৰিবলগীয়া এয়া এটা গ্ৰীণফিল্ড প্ৰকল্প। আনহাতে প্ৰকল্পটোৰ সুবিধাসমূহ হ'ল- পলাশবাৰী আৰু শুৱালকুছিৰ সামগ্ৰিক উন্নয়নেৰে কামৰূপ মহানগৰৰ পশ্চিম অঞ্চলৰ বিকাশ ত্বৰান্বিত কৰা, শুৱালকুছি আৰু ইয়াৰ কাষৰীয়া জিলাসমূহৰ পৰা লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰলৈ পোনপটীয়া সংযোগৰ সুবিধা আগবঢ়োৱা, উচ্চ শিক্ষানুষ্ঠান আৰু উন্নত চিকিৎসা সেৱা লাভৰ ক্ষেত্ৰত দুয়োপাৰৰ জনসাধাৰণৰ বাবে সুচল যাতায়াত আৰু গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ যান-জঁট আৰু বায়ু প্ৰদূষণ ৰোধৰ উদ্যোগ গ্ৰহণ কৰা।

০০০

পলিঅ' ৰোগ নিৰ্মূলৰ উদ্দেশ্যেৰে আজি অসমৰ ২৭ খন নিৰ্বাচিত জিলাত উপ-ৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মৰিগাঁও জিলাত এই উদ্দেশ্যেৰে মৰিগাওঁ জিলা যুটীয়া স্বাস্থ্য সঞ্চালকালয়ৰ কাৰ্যালয়ত ৩ দিনীয়া কাৰ্যসূচীৰে  উপৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান অনুষ্ঠানৰ আৰম্ভ কৰা হৈছে। জিলাখনত প্ৰতিষেধক প্ৰদানৰ শুভাৰম্ভ কৰি স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত অনুসুয়া শৰ্মাই এইদৰে কয় ঃ

বাইট

**গোলাঘাট** জিলাতো আজি শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ মাতৃ আৰু শিশু চিকিৎসা বিভাগত পুৱাৰে পৰা প্ৰতিষেধক প্ৰদান কৰা হয়। ইয়াৰ লগতে জিলাখনৰ মুঠ ৮৮৯টা প্ৰতিষেধক প্ৰদান কেন্দ্ৰত ডেৰ লাখতকৈও অধিক শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। একেদৰে **চৰাইদেউ** জিলাত ৬০ হাজাৰৰ অধিক শিশুক ৮ৰ পৰা ১০ ডিচেম্বৰৰ ভিতৰত পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। এই অভিযান সফল কৰিবলৈ প্ৰতিটো বিভাগক সহযোগিতা আগবঢ়াবলৈ চৰাইদেউ স্বাস্থ্য বিভাগে আহ্বান জনাইছে।

০০০

বাংলাদেশ চৰকাৰে ভাৰতৰ সৈতে থকা ইণ্টাৰনেট চুক্তি একপক্ষীয়ভাৱে বাতিল কৰাৰ সিদ্ধান্ত লৈছে। বাংলাদেশৰ পৰা আগৰতলালৈ দিয়া হাইস্পীড ইণ্টাৰনেটৰ সেৱা বাতিল কৰাৰ কথা কালি মহম্মদ ইউনুছ চৰকাৰে ঘোষণা কৰে। এই চুক্তি বাতিলৰ ফলত উত্তৰ-পূৰ্বাঞ্চলত ইণ্টাৰনেট সেৱাত প্ৰভাৱ পৰাৰ  সম্ভাৱনা আছে।

০০০

এডিলেইডত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয় টেষ্ট মেচত অষ্ট্ৰেলিয়াই ভাৰতক ১০ উইকেটত পৰাস্ত কৰে। আজি তৃতীয় দিনা ভাৰতে ৫ উইকেটৰ বিনিময়ত ১২৮ ৰানৰ পৰা দ্বিতীয় ইনিংছত খেল আৰম্ভ কৰি ১৭৫ ৰাণত আটাইকেইটা উইকেট হেৰুৱাই ১৯ ৰাণৰ লক্ষ্য বান্ধি দিয়ে। অষ্ট্ৰেলিয়াই ৩ অভাৰ ২ টা বলত কোনো উইকেট নেহেৰুৱাকৈ ভাৰতে  বান্ধি দিয়া লক্ষ্যত উপনীত হয়। অষ্ট্ৰেলিয়াৰ ট্ৰেভিজ হেদে খেলখনত মেন অৱ দ্যা মেচৰ খিতাপ লাভ কৰে। এই জয়ৰ সৈতে ৫ খনীয়া টেষ্ট শৃংখলাটোত অষ্ট্ৰেলিয়াই ভাৰতৰ সৈতে ১-১ পইণ্টেৰে সমতা স্থাপন কৰিছে।

০০০

শিৱসাগৰৰ হাঁহচৰা কুজিবালি নিবাসী সৰবৰহী মহিলা ৰীমা বৰঠাকুৰৰ আজি পুৱতি নিশা নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬১ বছৰ।

০০০

সমাপ্ত